NATIONAL DAIRY DEVELOPMENT BOARD

# গৰু-ম'হৰ কিছুমান বেমাৰৰ পৰম্পৰাগত চিকিৎসাবিধি













TDU
INSTITUTE OF TRANSDISCIPLINARY HEALTH SCIENCES & TECHNOLOGY

# ওহাৰ-ফুলা ৰোগ


এলভেৰা




হালধি


গোলনেমু


চুণ

## পানী আধাৰিত অনুপ্ৰয়োগ

**সামগ্ৰী:** প্ৰতি দিনৰ বাবে

এলভেৰা-২৫০ গ্ৰাম, হালধি-৫০ গ্ৰাম (গোটা বা গুৰি), চুণ-১৫ গ্ৰাম, গোলনেমু-৬ টা

**তৈয়াৰ পদ্ধতি:**

(i) সম্পুৰ্ণ এটা এলভেৰাৰ পাত লওক আৰু সৰু-সৰুকৈ কাটক (পাতৰ সৰু কাঁইট বিলাক আতৰাই লব) (ii) হালধি গুৰি আৰু চুনৰ লগত এলভেৰা খিনি পিছক। তৈয়াৰ হোৱা পেষ্টখিনি ৰঙা হৈ পৰিব।

**প্ৰয়োগ পদ্ধতি:**

(i) ওহাৰখন ভালকৈ ধোৱক আৰু চাফা কৰক। গোটেই কেইটা বাতৰ পৰা সম্পূৰ্ণকৈ গাখীৰ খিৰাওক (অপ্ৰভাবী বাতৰ পৰাও)। (ii) এমুঠি পেষ্ট লওক আৰু তাত ২০০ মি. লি পানী মিহলাই পাতল কৰক। (iii) এই পাতলীয়া পেষ্টখিনি দিনে ১০ বাৰকৈ ৫ দিন লগাওক। প্ৰতিবাৰতে ওপৰোক্ত নিয়ম (১) মানি চলক। (iv) দিনটোৰ শেষৰ প্ৰয়োগ তেলৰ লগত কৰিব লাগে। (v) এবাৰত দুটাকৈ গোলনেমু (দুটুকুৰা কৰি) খুৱাওক (দিনে তিনিবাৰকৈ তিনি দিনৰ বাবে)

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# ওহাৰ-ফুলা ৰোগ


এলভেৰা




সৰিয়হ বা তিল তেল


গোলনেমু


চুণ


হালধি

## তেল আধাৰিত অনুপ্ৰয়োগ

সামগ্ৰী: প্ৰতি দিনৰ বাবে

এলভেৰা-২৫০ গ্ৰাম, হালধি-৫০ গ্ৰাম (গোটা বা গুৰি), চুণ-১৫ গ্ৰাম, গোলনেমু-৬ টা, সৰিয়হ বা তিল তেল-৬০০ মি. লি.

তৈয়াৰ পদ্ধতি:

(i) এলভেৰাৰ পাতকেইটা সৰু-সৰুকৈ কাটি লওক (কাঁইট আতৰাই লওক)। (ii) হালধি পাউদাৰৰ আৰু চূনৰ লগত পিচি পেলাওক, ৰঙচুৰা বৰনৰ হোৱালৈকে।

প্ৰয়োগ পদ্ধতি:

(i) ওহাৰখন ভালকৈ ধোৱক আৰু চাফা কৰক। গোটেই কেইটা বাতৰ পৰা সম্পূৰ্ণকৈ গাখীৰ খিৰাওক (অপ্ৰভাবী বাতৰ পৰাও) আৰু ওহাৰখন শুকুৱাই লওক। (ii) এমুঠি পেষ্ট লওক আৰু তাত ২০০ মি. লি সৰিয়হ বা তিল তেল লৈ পাতল কৰক। (iii) এই পাতলীয়া পেষ্টখিনি দিনে ৩ বাৰকৈ ৫ দিন লগাওক। প্ৰতিবাৰতে ওপৰোক্ত নিয়ম (১) মানি চলক। (iv) এবাৰত দুটাকৈ গোলনেমু (দুটুকুৰা কৰি) খুৱাওক (দিনে তিনিবাৰকৈ তিনি দিনৰ বাবে)

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# ওহাৰৰ বাত বন্ধ



নিমপাতৰ ঠাৰি






হালধি

মাখন



বা



ঘিউ

**সামগ্ৰী:**

নতুনকৈ চিঙি অনা পৰিস্কাৰ নিমপাতৰ ঠাৰি ১ দাল,  হালধি পাউদাৰ, মাখন বা ঘিউ

**তৈয়াৰ পদ্ধতি:**

(i) নিমপাতৰ ঠাৰিডাল ওহাৰৰ বাতৰ দীঘ অনুপাতে টুকুৰা কৰি লওক ।

(ii) নিমপাতৰ ঠাৰিডালত হালধি আৰু মাখন/ঘিউ ৰ মিশ্ৰন লগাওক।

(iii) আকান্ত ওহাৰৰ বাততো ভাল দৰে পৰিস্কাৰ কৰি লব লাগে।

**প্ৰয়োগ পদ্ধতি:**

(i) এতিয়া এই নিমপাতৰ ঠাৰিডাল আক্ৰান্ত ওহাৰৰ বাতত ঘড়ীৰ কাটাৰ বিপৰীত দিশত পকাই-পকাই সোমোৱাই দিয়ক। (ii) প্ৰতিবাৰ গাখীৰ খিৰোৱাৰ পাচত নতুন নিমপাতৰ ঠাৰি ব্যৱহাৰ কৰক।

ভিডিঅ’ চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# ওহাৰত পানী জমা হোৱা বেমাৰ





তিল বা
সৰিয়হৰ তেল



হালধি



নহৰু

সামগ্ৰী: এবাৰৰ বাবে

তিল বা সৰিয়হৰ তেল- ২০০ মি.লি, হালধিগুৰি - এক মুঠি,
নহৰু- দুফুটা

তৈয়াৰ পদ্ধতি:

(i)তেলখিনি গৰম কৰি লওক। তাত হালধিগুৰি আৰু চকলিয়াই লোৱা নহৰুখিনি দি দিয়ক।
(ii)ভালকৈ মিক্স কৰক আৰু সামান্য গোন্ধ ওলোৱাৰ লগে লগে জুইৰ পৰা নমাই আনক।
(ii) মিশ্ৰনখিনি চেঁচা হ'বলৈ দিয়ক।

প্ৰয়োগ পদ্ধতি:

(i) পানী জমা হোৱা ঠাইখিনি আৰু সম্পূৰ্ণ ওহাৰত মিশ্ৰনখিনি লগাওক।
(ii) দিনে চাৰিবাৰকৈ তিনিদিন মিশ্ৰন লগাওক।

বি.দ্ৰ.:
চিকিৎসা আৰম্ভ কৰাৰ আগতে বেমাৰটো ওহাৰফুলা ৰোগ নহয় বুলি নিশ্চিত  কৰক।

ভিডিঅ' চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# গৰুৰ সময়মতে জল নসৰা ৰোগ



মূলা





ভেন্দি



গুৰ



নিমখ

**সামগ্ৰী:**

মূলা- ১টা, ভেন্দি- ১.৫ কেজি, গুৰ- প্ৰয়োজন মতে, নিমখ- প্ৰয়োজন মতে

**তৈয়াৰ পদ্ধতি:**

(i) ভেন্দিকেইটা দুটুকুৰাকৈ কাটক।

**প্ৰয়োগ পদ্ধতি:**

(i) পোৱালি হোৱাৰ দুই ঘন্টাৰ ভিতৰত এটা মূলা খুৱাওক।

(ii) পোৱালি হোৱাৰ ৮ ঘন্টালৈকে জল নসৰিলে, ১.৫ কেজি ভেন্দি (টুকুৰা কৈ কটা) নিমখ আৰু গুৰৰ লগত খুৱাওক।

(iii) পোৱালি হোৱাৰ ১২ ঘন্টালৈকে জল নসৰিলে, ওলাই থকা অংশখিনিৰে এটা গাঁঠি মাৰক আৰু গাঁঠিৰ ২ ইঞ্চি তলৰ খিনি কাটি পেলাওক।

(iv) হাতেৰে আজুৰি জল আঁতৰাবলৈ প্ৰয়াস নকৰিব।

(v) সপ্তাহত এটাকৈ মূলা খুৱাওক চাৰি সপ্তাহৰ বাবে।

ভিডিঅ' চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# গৰু গাভিনী নহলে (বীৰ্য্য দানৰ পাছতো)




মূলা






এলভেৰা



হাড়জোৰা লতাৰ গা গছ



চজিনা পাত



নৰসিংহ পাত



নিমখ



গুৰ



হালধি

**প্ৰয়োগ পদ্ধতি:**

(i) গাই গৰমত অহাৰ প্ৰথমদিনা বা দ্বিতীয়দিনা চিকিৎসা আৰম্ভ কৰক।

(ii) ক্ৰম অনুসাৰে দিনে এবাৰকৈ তলত দিয়া সামগ্ৰীখিনি গুৰ আৰু নিমখৰ লগত মিহলাই খুৱাওক (প্ৰতিদিন নতুনকৈ বনাওক)

(a) দিনে এটাকৈ মূলা পাচঁ দিনৰ বাবে (b) দিনে এটাকৈ এলভেৰা পাত চাৰি দিনৰ বাবে (c) দিনে চাৰিমুঠিকৈ চজিনাপাত চাৰি দিনৰ বাবে (d) দিনে চাৰিমুঠিকৈ হাড়জোৰা লতাৰ গা গছ চাৰি দিনৰ বাবে (e) দিনে চাৰিমুঠিকৈ নৰসিংহ পাত চাৰি দিনৰ বাবে (হালধিৰ লগত) (f) গাই গাভিনী নহলে সমগ্ৰ চিকিৎসা পুনৰাই এবাৰ কৰিব লাগে।

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# গৰ্ভাশয় আংশিকভাবে বাহিৰ ওলাই আহিলে (প্ৰলাপ্‌ছ)




এলভেৰা জেল





হালধি



লাজুকীলতা পাত

## সামগ্ৰী:

এলভেৰা জেল- এটা পূৰঠ পাতৰ, হালধিগুৰি- এচিকুত,
লাজুকীলতা পাত- ২ মুঠি

## তৈয়াৰ পদ্ধতি:

(i) এটা এলভেৰা পাতৰ সম্পূৰ্ণ জেল লওক।

(ii) পিচল-পিচল ভাব নোযোৱালৈকে জেলখিনি পানীৰে ধোৱক।

(iii) এচিকুত হালধিগুৰি দিয়ক আৰু এক লিটাৰ পানী ধালি সেয়া আধা লিটাৰ হোৱাকৈ উতলাওক।

(iv) মিশ্ৰনখিনি চেঁচা হবলৈ দিয়ক ।

(v) লাজুকীলতা পাতখিনি পিহি লওক।

## প্ৰয়োগ পদ্ধতি:

(i) প্ৰলাপ্‌ছ হোৱা অংশখিনি পৰিস্কাৰ কৰি লওক।

(ii) তাৰ ওপৰত জেলখিনি আঙুলিৰ আগেৰে চতিয়াওক।

(iii) জেলখিনি শুকুওৱাৰ পাচত লাজুকীলতাৰ পিচাখিনি লগাওক।

(iv) ভাল নোহোৱালৈকে ব্যৱহাৰ কৰক।

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# চবকাৰোগৰ মুখৰ ঘাঁ নিৰাময়



জিৰা





জালুক



নহৰু



গুৰ



হালধি



মেথি গুটি



নাৰিকল

**সামগ্ৰী:** প্ৰতিপালিৰ বাবে

জিৰা- ১০ গ্ৰাম,মেথি গুটি- ১০ গ্ৰাম, জালুক- ১০ গ্ৰাম, হালধি- ১০ গ্ৰাম, নহৰু- ৪ ফুটা, নাৰিকল- এটা, গুৰ-১২০ গ্ৰাম

**তৈয়াৰ পদ্ধতি:**

(i) জিৰা, মেথি গুটি আৰু জালুক খিনি ২০-৩০ মিনিট সময় পানীত তিয়াই ৰাখক।
(ii) তাৰপিচত সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক।
(iii) মিশ্ৰনখিনিত নাৰিকলৰ গুৰিখিনি হাতেৰে মিহলাওক।
(iv) প্ৰতিবাৰ নতুনকৈ মিশ্ৰন তৈয়াৰ কৰক।


**প্ৰয়োগ পদ্ধতি:**

(i) মুখ, জিভা আৰু তালুত ভালকৈ লগাওক।
(ii) দিনে তিনিবাৰকৈ তিনিৰ পৰা পাঁচদিন মিশ্ৰন লগাওক ।

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# চবকাৰোগৰ ভৰিৰ ঘাঁ নিৰাময়





একালাইফা



নিম



নহৰু



হালধি



তুলসী



নাৰিকল তেল

বা



তিল তেল



জেতুকা



আতলচ

**সামগ্ৰী:**

একালাইফা ইন্দিকা পাত- এক মুঠি, নহৰু- ১০ ফুটা, নিম পাত-১ মুঠি, নাৰিকল বা তিলতেল-৫০০ মি.লি., হালধি গুৰি-২০ গ্ৰাম, জেতুকা পাত-১ মুঠি, তুলসী পাত-১ মুঠি

**তৈয়াৰ পদ্ধতি:**

(i)সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক।
(ii)মিশ্ৰনখিনি ৫০০ মি লি নাৰিকল বা তিলতেলত মিহলাই উতলাওক আৰু চেঁচা হবলৈ দিয়ক।

**প্ৰয়োগ পদ্ধতি:**

(i) ঘাঁ টুকুৰা ভালকৈ চাফা কৰক আৰু মিশ্ৰনখিনি লগাওক। প্ৰয়োজন সাপেক্ষে কাপোৰৰ পতি লগাওক।
(ii) ঘাঁত পোক দিলে নাৰিকল তেলত এটুকুৰা কৰ্ফুৰ অথবা আতলচ পাতৰ পিচা লগাওক (প্ৰথম দিনা)

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# জ্বৰ




**সামগ্ৰী:** প্ৰতি দিনৰ বাবে

নহৰু-২ ফুটা, ধনিয়া - ১০ গ্ৰাম, জিৰা - ১০ গ্ৰাম, তুলসী-১ মুঠি, তেজ পাত-১০ গ্ৰাম, জালুক - ১০ গ্ৰাম, পান-৫ খিলা, অসমীয়া পিয়াঁজ-২ ফুটা, হালধি গুৰি-১০ গ্ৰাম, চিৰতা পাতৰ গুৰি -২০ গ্ৰাম, ওচিলাম বেসিলিকাম-১ মুঠি, নিম পাত- ১ মুঠি, গুৰ - ১০০ গ্ৰাম

**তৈয়াৰ পদ্ধতি:**

(i) জিৰা, জালুক আৰু ধনিয়া গুতি ১৫ মিনিট পানীত তিয়াই ৰাখক।
(ii) সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক ।

**প্ৰয়োগ পদ্ধতি:**

(i) দিনে দুবাৰকৈ (পুৱা-গধুলি) অলপ-অলপ কৰি খুৱাওক।

ভিডিঅ' চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

TDU

# পেটৰ অসুখ




**সামগ্ৰী:** প্ৰতি দিনৰ বাবে

মেথি গুটি- ১০ গ্ৰাম, পিয়াঁজ - এটা, নহৰু- ১ফুটা, জিৰা গুটি- ১০ গ্ৰাম, হালধি- ১০ গ্ৰাম, নৰসিংহ পাত- ১ মুঠি, আফু গুটি- ৫ গ্ৰাম, জালুক- ১০ গ্ৰাম, গুৰ- ১০০ গ্ৰাম, হিঙ- ৫ গ্ৰাম

**তৈয়াৰ পদ্ধতি:**

(i) জিৰা গুটি, হিঙ, আফু গুটি আৰু মেথি গুটি কেইটা ধোঁৱা ওলোৱাকৈ গৰম কৰক।

(ii) চেঁচা হ'বলৈ দিয়ক আৰু তাৰ পিচত সকলোখিনি গুৰি কৰক।

(iii) সকলোখিনি সামগ্ৰী লৈ মিহলাই পিচক।

**প্ৰয়োগ পদ্ধতি:**

(i) পিচাখিনিৰে সৰু-সৰু লাডু বনাওক।

(ii) অলপ-অলপকৈ দিনে এবাৰকৈ এদিনৰ পৰা তিনিদিন পৰ্য্যন্ত খুৱাওক ভাল নোহোৱালৈকে।

ভিডিঅ' চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# পেটফুলা আৰু বদহজমি ৰোগ




**সামগ্ৰী:** প্ৰতি দিনৰ বাবে

পিয়াঁজ-১০০ গ্ৰাম, নহৰু-১০ ফুটা, জলকীয়া-2 টা, জিৰা গুটি- ১০ গ্ৰাম, হালধি- ১০ গ্ৰাম, গুৰ- ১০০ গ্ৰাম, জালুক- ১০ গ্ৰাম, পান- ১০ খিলা, আদা- ১০০ গ্ৰাম

**প্ৰস্তুতি:**

(i) জালুক আৰু জিৰা গুটিকেইটা ৩০ মিনিটমান সময় পানীত তিয়াই ৰাখক। (ii) সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক।

**প্ৰয়োগ পদ্ধতি:**

(i) পিচাখিনিৰে সৰু-সৰু লাডু বনাওক।

(ii) দিনে তিনি-চাৰি বাৰকৈ তিনি দিন খুৱাওক(অলপ-অলপকৈ নিমখৰ লগত)।

ভিডিঅ’ চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# পেটৰ পেলু




**সামগ্ৰী:** প্ৰতি দিনৰ বাবে

পিয়াঁজ-এটা, নহৰু-৫ ফুটা, সৰিয়হগুটি-১০ গ্ৰাম, নিমপাত- ১ মুঠি, জিৰা-১০ গ্ৰাম, তিতা কেৰেলা-৫০ গ্ৰাম, হালধি-৫ গ্ৰাম, জালুক-৫ গ্ৰাম, কলগছ-১০০ গ্ৰাম, দোৰোণবন-১ মুঠি, গুৰ-১০০ গ্ৰাম

**তৈয়াৰ পদ্ধতি:**

(i) জালুক, জিৰা আৰু সৰিয়হ গুটিকেইটা ৩০ মিনিটমান সময় পানীত তিয়াই ৰাখক।

(ii) সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক।

**প্ৰয়োগ পদ্ধতি:**

(i) পিচাখিনিৰে সৰু-সৰু লাডু বনাওক।

(ii) দিনে এবাৰকৈ তিনিদিন খুৱাওক (অলপ-অলপকৈ নিমখৰ লগত)।

ভিডিঅ' চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।


# চিকৰা/ছালৰ পৰজীৱী


নহৰু




হালধি


নিম পাত


গো ফুল


বচ(একৰাচ কেলামাছ)ৰ শিপা


নিমৰ গুটি


তুলসী

### সামগ্ৰী:

নহৰু- ১০ ফুটা, নিম পাত- ১ মুঠি, নিমৰ গুটি- ১ মুঠি, বচ(একৰাচ কেলামাছ)ৰ শিপা- ১০ গ্ৰাম, হালধি গুৰি- ২০ গ্ৰাম, গো ফুলৰ পাত- ১ মুঠি, তুলসী পাত - ১ মুঠি

### তৈয়াৰ পদ্ধতি:

(i) সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক।
(ii) ১ লিটাৰ পানী মিহলাওক।
(iii) মিহি চেকনিৰে মিশ্ৰনখিনি চেকক।
(iv) স্প্ৰে কৰিব পৰাকৈ মিশ্ৰনখিনি এটা বটলত ৰাখক।

### প্ৰয়োগ পদ্ধতি:

(i) গাই জনীৰ সমগ্ৰ শৰীৰত মিশ্ৰনখিনি স্প্ৰে কৰক।
(ii) লগতে গোহালিৰ বেৰ-খুটা আদিতো মিশ্ৰনখিনি স্প্ৰে কৰক।
(iii) স্প্ৰে কৰাৰ সলনি মিশ্ৰন কাপোৰত ভিজাইও লগাব পাৰে।
(iv) সম্পূৰ্ণ ভাল নোহোৱালৈকে সপ্তাহত এবাৰকৈ স্প্ৰে কৰক।
(v) দিনৰ ৰ'দ থকা সময়খিনিৰ ভিতৰতে স্প্ৰে কৰক।

ভিডিঅ' চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# গো বসন্ত/ৱাৰ্ট/ওহাৰৰ ছাল ফাটিলে


নহৰু





মাখন


হালধি


নিম


জিৰা


ওচিলাম বেসিলিকাম

### সামগ্ৰী:

নহৰু- ৫ ফুটা, হালধি গুৰি - ১০ গ্ৰাম, জিৰা- ১৫ গ্ৰাম, ওচিলাম বেসিলিকাম- এক মুঠি, নিম পাত- এক মুঠি, মাখন/ঘিঁউ- ৫০ গ্ৰাম

### তৈয়াৰ পদ্ধতি:

(I) জিৰাখিনি ১৫ মিনিট সময় পানীত তিয়াই ৰাখক।
(ii) তাৰপিচত সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক।
(iii) পিচাখিনিত মাখন মিহলাওক।

### প্ৰয়োগ পদ্ধতি:

(I) বেমাৰ আক্ৰান্ত ঠাইত মিশ্ৰনখিনি যিমান বাৰ পাৰে লগাওক -ভাল নোহোৱালৈকে।
(ii) ছালখন ভালকৈ শুকোৱাৰ পাচতহে মিশ্ৰন লগোৱা উচিত।

ভিডিঅ' চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# এলাৰ্জি/ বিষক্ৰিয়া/ বিষাক্ত ডাক/ কামোৰ





পান



নিমখ



জালুক



গুৰ

**সামগ্ৰী:** প্ৰতিপালিৰ বাবে

(তিনি ৰজা: তামিল পাৰম্পৰিক সিদ্ধা বিদ্যা মতে)

পান - ১০ খিলা, জালুক - ১০ গ্ৰাম, নিমখ- ১০ গ্ৰাম,গুৰ- প্ৰয়োজন মতে

**তৈয়াৰ পদ্ধতি:**

(i) সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক। (ii) গুৰৰ লগত প্ৰয়োজন মতে মিহলি কৰক।

**প্ৰয়োগ পদ্ধতি:**

(i) অলপ-অলপ কৰি খুৱাওক। (ii) দিনে তিনিবাৰকৈ দুই সপ্তাহ খুৱাওক

**টোকা:**

বিকল্পভাবে, সংকটজনক অৱস্থাত, প্ৰতি এক ঘন্টাৰ মূৰে মূৰে ২-৩ টোপাল চকুত দিব পৰা যায় (গুৰ নসনাকৈ)।

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# জোৰাত হোৱা টেমুনা



এলভেৰা





নহৰু




চুন



হালধি



হাড়যোৰৰ গাগছ



তিল তেল

**সামগ্ৰী:**

এলভেৰা- ১০০ গ্ৰাম, চূণ- ১০ গ্ৰাম, হাড়যোৰৰ গাগছ - ১০০ গ্ৰাম, হালধি- ১৫ গ্ৰাম, নহৰু- ৫ ফুটা, তিল তেল -১ লিটাৰ

**তৈয়াৰ পদ্ধতি:**

(i) সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক। (ii) সকলোখিনি পেষ্ট এক লিটাৰ তিল তেলত ওতলাই লওক আৰু চেচাঁ হব দিয়ক।

**প্ৰয়োগ পদ্ধতি:**

(i) দিনে ৪-৫ বাৰকৈ আক্ৰান্ত জোৰাত লগাওক। (ii) দিনে দুবাৰকৈ গৰমপানীৰ সেক দিয়ক।

ভিডিঅ' চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# কাহ হলে



বাহক/
তিতাবাহক





জালুক



তুলসী



নহৰু



হালধি



গুৰ

**সামগ্ৰী:** প্ৰতি দিনৰ বাবে

বাহক/তিতাবাহক- এপাত, তুলসী- এমুঠি, নহৰু- ৫ ফুটা,
হালধি- ১০ গ্ৰাম, জালুক - ১০ গ্ৰাম, গুৰ- প্ৰয়োজন মতে

**তৈয়াৰ পদ্ধতি:**

(i) জালুক খিনি ১৫-২০ মিনিটমান তিয়াই থওক আৰু গুড়ি কৰি লওক। (ii) সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক আৰু গুৰৰ লগত প্ৰয়োজন মতে মিহলি কৰি খুৱাওক।

**প্ৰয়োগ পদ্ধতি:**

দিনে দুই-তিনি বাৰকৈ খুৱাওক, আৰোগ্য নোহোৱালৈকে।

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# গৰু উঠিব নোৱাৰা হলে (সাধাৰণতে প্ৰসৱৰ পাচত)



দেশী কুকুৰা কণী





হাড়যোৰৰ গাগছ



চজিনা পাত



গুৰ

**সামগ্ৰী:** প্ৰতিপালিৰ বাবে

দেশী কুকুৰা কণী -২ টা, চজিনা পাত- ৪ মুঠি, হাড়যোৰৰ গাগছ - ৪ মুঠি, গুৰ- প্ৰয়োজন মতে

**তৈয়াৰ পদ্ধতি:**

(i) দুটা কেচাঁ কনী লওক। (ii) চজিনা পাত আৰু হাড়যোৰৰ গাগছ বেলেগ-বেলেগকৈ গুৰৰ লগত পিচি লওক।

**প্ৰয়োগ পদ্ধতি:**

(i) এবাৰত দুটাকৈ কনী (খোল সহিত) খুৱাওক। এইদৰে দিনে তিনিবাৰকৈ খুৱাওক (খুওৱাৰ আগতে কনীৰ খোলত সৰুকৈ ফুটা এটা কৰি দিব)। (ii) চজিনা পাত আৰু হাড়যোৰৰ গাগছৰ পিচা এটাৰ পাচত আনটোকৈ প্ৰত্যেক দুই ঘণ্টাৰ মূৰে-মূৰে খুৱাওক (এবাৰত চাৰি মুঠিকৈ)।(iii) ৪ দিনলৈকে পশুটোক উঠাবলৈ চেষ্টা নকৰিব।

ভিডিঅ' চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# কীটনাশকৰ বিষক্ৰিয়া/হাইড্ৰচায়েনিক এচিদৰ বিষক্ৰিয়া/ভেঁকুৰৰ বিষক্ৰিয়া



পান





চজিনা পাত



জালুক



তেঁতেলী



নিমখ



গুৰ

**সামগ্ৰী:**

'তিনি ৰজা': প্ৰতিপালিৰ বাবে

পান- ১০ খিলা, জালুক - ১০ গ্ৰাম, নিমখ- ১০ গ্ৰাম, গুৰ- প্ৰয়োজন মতে

অন্য প্ৰস্তুতি : প্ৰতি দিনৰ বাবে

তেঁতেলী - ১ কেজি, পানী- ১ লিটাৰ, ১ কেজি চজিনাপাতৰ ৰস

**তৈয়াৰ পদ্ধতি:**

'তিনি ৰজা'ৰ প্ৰস্তুত পদ্ধতি:

(i) পান, জালুক, নিমখ সকলোখিনি সামগ্ৰী লৈ মিক্সীত পিচক। (ii) গুৰৰ লগত প্ৰয়োজনমতে সানক।

অন্য প্ৰস্তুতি (প্ৰতি দিনৰ বাবে):


(i) গুতিবিহীন তেঁতেলীখিনি ১৫ মিনিট তিয়াই থওক। (ii) তাৰপিচত ৰসখিনি চেপি উলিয়াই লওক। (iii) তাত পানী, গুৰ, চজিনাপাতৰ ৰসখিনি মিহলাওক। (iv) ভালদৰে মিহলাই লওক।

**প্ৰয়োগ পদ্ধতিঃ**

(i) তিনি ৰজা'ৰ প্ৰথমপালি খোৱাওক। (ii) ২০০ মিলি তেতেলি-গুৰ-চজিনাৰ ডাঠ মিশ্ৰন প্ৰতি দুঘন্টাৰ মূৰে মূৰে খোৱাওক।(iii) তাৰ মাজে-মাজে 'তিনিৰজা'ৰ অলপমান অলপ-অলপ কৰি খুৱাওক।

ভিডিঅ' চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# গাখীৰত তেজ আহিলে



নৰসিংহ পাত





গুৰ



চজিনা পাত



গোলনেমু

**সামগ্ৰী:** প্ৰতি দিনৰ বাবে

নৰসিংহ পাত- ২ মুঠি, চজিনা পাত- ২ মুঠি, গুৰ- ১০০ গ্ৰাম, গোলনেমু-৬ টা

**তৈয়াৰ পদ্ধতি:**

নৰসিংহ পাত আৰু চজিনা পাত গুৰৰ লগত একেলগে লৈ মিক্সীত পিচক। গোলনেমু দুটা দুটুকুৰাকৈ কাতি লওক।

**প্ৰয়োগ পদ্ধতি:**

(i) দিনে দুবাৰকৈ খুৱাওক ভাল নোহোৱালৈকে

(ii) এবাৰত দুটাকৈ গোলনেমু (দুটুকুৰা কৰি) খোৱাওক (দিনে তিনিবাৰকৈ তিনি দিনৰ বাবে)

**বি.দ্ৰ. :**

ওহাৰ ফুলা ৰোগৰ পাৰম্পৰিক চিকিৎসাও লগতে কৰক।

ভিডিঅ’ চোৱাৰ বাবে এন্ড্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

# গাই গৰমত নাহিলে




**তৈয়াৰ পদ্ধতি:**

দিনে দুবাৰকৈ  তলত দিয়া সামগ্ৰীখিনি ক্ৰম অনুসাৰে গুৰ আৰু নিমখৰ লগত মিহলাই খুৱাওক (প্ৰতিদিন নতুনকৈ বনাওক):

(i) এটা মূলা দিনে দুবাৰকৈ পাচঁ দিনৰ বাবে (ii) এপাত এলভেৰা দিনে দুবাৰকৈ চাৰি দিনৰ বাবে (iii) চাৰিমুঠি চজিনাপাত দিনে দুবাৰকৈ চাৰি দিনৰ বাবে (iv) চাৰিমুঠি হাড়যোৰৰ গাগছ দিনে দুবাৰকৈ চাৰি দিনৰ বাবে (v) চাৰিমুঠি নৰসিংহপাত  দিনে দুবাৰকৈ চাৰি দিনৰ বাবে (৫ গ্ৰাম হালধিৰ লগত)

**বি.দ্ৰ. :**

চিকিৎসা আৰম্ভ কৰাৰ ১৫ দিনৰ আগতে কৃমিনাশক খুৱাওক।

ভিডিঅ’ চোৱাৰ বাবে এন্দ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।



প্ৰফেচাৰ ন. পূৰ্ণিয়ামূৰ্ত্তিৰ মাৰ্গদৰ্শনৰে কিতাপখন লিখা হৈছে (profpunniya@gmail.com)
অধিক খবৰৰ বাবে এই ঠিকনাত যোগাযোগ কৰক: anand@nddb.coop


**ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদ, আনন্দ**

ফোন: 02692-260148, 260149 • ফেক্স : 02692-260157

ৱেব চাইট :www.nddb.coop

*facebook.com/NationalDairyDevelopmentBoard*


December, 2021

ইয়াত উল্লেখ কৰা তৰু-লতা, মছলা তথা অন্যান্য সামগ্ৰী সমূহ সাধাৰনভাবে নিৰাপদ বুলি গন্য কৰা হয় আৰু পৰামৰ্শমূলকহে। ৰোগ নিৰ্ণয় আৰু উপযুক্ত ব্যৱস্থাপনাৰ বাবে ওচৰৰ পশু চিকিৎসকৰ লগত যোগাযোগ কৰক।